জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৮১/২০২১

## প্ৰধানমন্ত্ৰী ষ্ট্ৰীট ভেণ্ডৰ্ছ আত্মনিৰ্ভৰ নিধিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# আঁচনিখনৰ অধীনত ঋণৰ ধনৰাশি সংশ্লিষ্ট হিতাধিকাৰীসকললৈ শীঘ্ৰে মুকলিৰ পদক্ষেপ ল'বলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১০ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এক বৈঠকত প্ৰধানমন্ত্ৰী ষ্ট্ৰীট ভেণ্ডৰ্ছ আত্মনিৰ্ভৰ নিধি পৰ্যালোচনা কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰূপায়নকাৰী কৰ্তৃপক্ষক হিতাধিকাৰীসকলক এই আঁচনিৰ ঋণ ক্ষিপ্ৰভাৱে প্ৰদানৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী ষ্ট্ৰীট ভেণ্ডৰ্ছ আত্মনিৰ্ভৰ নিধি আঁচনিখন হ'ল গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ দ্বাৰা আৰম্ভ কৰা মাইক্ৰ'ক্ৰেডিট ফেচিলিটিৰ এখন বিশেষ পদক্ষেপ। এই পদক্ষেপৰ জৰিয়তে ক'ভিড-১৯ ৰ ফলত ক্ষতিগ্ৰস্ত হোৱা পদপথৰ ব্যৱসায়ীসকললৈ তেওঁলোকৰ জীৱিকা সুচলতৰ কৰাৰ বাবে ঋণ প্ৰদানৰ ব্যৱস্থা লোৱা হৈছে।

এই আঁচনিৰ অধীনত অসমত ৪০ হাজাৰ খন আৱেদনপত্ৰ লাভ কৰা হৈছে ইয়াৰে ২০ হাজাৰ খন আৱেদনৰ অনুমোদন জনোৱা হৈছে আৰু ১৭ হাজাৰৰো অধিক হিতাধিকাৰীলৈ ঋণৰ ধনৰাশি প্ৰদান কৰা হৈছে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে বেংক কৰ্তৃপক্ষ আৰু নগৰীয়া স্থানীয় নিকায়ৰ কাৰ্যবাহী বিষয়াসকলক পদপথৰ ব্যৱসায়ীসকললৈ ঋণ প্ৰদানৰ দিশত বিশেষ পদক্ষেপ লোৱাৰ বাবে নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে মুখ্য সচিব জিষ্ণু বৰুৱাক এই আঁচনিৰ অংশীদাৰী সকলৰ সৈতে ভাৰ্চুৱেল বৈঠকৰ আয়োজন কৰাৰ বাবে নিৰ্দেশ দিয়ে যাতে এই আঁচনিৰ লক্ষ্য নিৰ্দ্ধাৰিত হিতাধিকাৰীসকলে আঁচনিখনৰ দ্বাৰা উপকৃত হ'ব পাৰে।

বৈঠকত বিত্ত মন্ত্ৰী অজন্তা নেওগ, জলসিঞ্চন মন্ত্ৰী অশোক সিংহল, বেংক কৰ্তৃপক্ষ, নগৰীয়া স্থানীয় নিকায়ৰ কাৰ্যবাহী বিষয়া সকলৰ লগতে জিলা উপায়ুক্তসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**১০-১২-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in